সংঘৰ্ষৰ সূচনা হ'ল।

**লৰ্ড আমহাৰ্ষ্ট (Lord Amherst, 1823-28)ঃ** লৰ্ড হেষ্টিংচৰ প্ৰত্যাৱৰ্তনৰ পাছত ১৮২৩ চনত লৰ্ড আমহাৰ্ষ্ট ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল হৈ আহে। তেওঁ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতেই ব্ৰহ্মদেশৰ লগত কোম্পানীৰ যুদ্ধ আৰম্ভ হয়।

**প্ৰথম ইং-ব্ৰহ্ম যদ্ধ (১৮২৪-২৬)ঃ** সপ্তদশ শতিকাৰ পৰাই ব্ৰহ্মদেশৰ লগত ইংৰাজসকলৰ বাণিজ্যিক সম্পৰ্ক আছিল। অষ্টাদশ শতিকাৰ মাজভাগলৈকে ইংৰাজ সকলে ভাৰতবৰ্ষত নিজ সাম্ৰাজ্য স্থাপনত সৰ্বশক্তি প্ৰয়োগ কৰিছিল। আৰু ব্ৰহ্মদেশৰ ওপৰত ৰাজনৈতিক প্ৰতিপত্তি স্থাপনৰ কোনো চেষ্টা নকৰাত তেতিয়ালৈকে এই দুই শক্তিৰ মাজত কোনোধৰণৰ সংঘৰ্ষ হোৱা নাছিল। কিন্তু ব্ৰহ্মদেশৰ ৰজা বডোপায়া (১৭৭৯-১৮১৯) আৰু তেওঁৰ পুত্ৰ বগীদোৱা (১৮১৯-৩৭)-ৰ আমোলত ব্ৰহ্মৰাজ্যৰ সীমা বিস্তাৰ লাভ কৰি কোম্পানীৰ ৰাজ্য সীমাৰ সংলগ্ন হৈ পৰাত দুই পক্ষৰ মাজত সংঘৰ্ষ অনিবাৰ্য হৈ উঠে। বডোপায়াই ১৭৮৪ খৃঃত আৰাকান আৰু ১৮১৬ খৃঃত মনিপুৰ অধিকাৰ কৰাত ব্ৰহ্মসাম্ৰাজ্য কোম্পানীৰ ৰাজ্যৰ সীমা নাফ নদী পৰ্যন্ত বিস্তৃত হ'ল। ব্ৰহ্ম ৰজাৰ অত্যাচাৰত অতিষ্ঠ হৈ বহু আৰকানী প্ৰজাই নাফ নদী পাৰ হৈ বৃটিছ সাম্ৰাজ্যৰ চিটাগঙত আশ্ৰয় লোৱাত বৃটিছৰ লগত বাৰ্মী বা মানবোৰৰ বিবাদৰ সূত্ৰপাত হ'ল। ব্ৰহ্মদেশৰ লগত প্ৰত্যক্ষ সংঘৰ্ষ এৰাই চলিবৰ বাবে বৃটিছ পক্ষই ১৭৯৫ চনৰ পৰা ১৮১১ চনৰ ভিতৰত ছয়বাৰকৈ বাৰ্মালৈ দূত প্ৰেৰণ কৰিছিল। কিন্তু এই প্ৰচেষ্টাই বিশেষ সফলতা লাভ কৰিব নোৱাৰিলে কাৰণ আৰাকান শৰণাৰ্থীসকলৰ সন্ধানত বাৰ্মী বা মান সৈন্যসকলে বাৰংবাৰ কোম্পানীৰ সাম্ৰাজ্যৰ অভ্যন্তৰত প্ৰবেশ কৰি লুটপাত কৰিব ধৰিলে আৰু পুৰণি আৰাকান ৰাজ্যৰ তলতীয়া চিটাগঙ, লুকীপুৰ, ঢাকা, কাছিমবাজাৰ আদি ঠাইবোৰৰ ওপৰত ব্ৰহ্মৰজাই দাবী তুলিলে।

CamScanner

ইতিমধ্যে বডোপায়াৰ মৃত্যু হোৱাত তেওঁৰ পুত্ৰ বগীদোৱা বাৰ্মাৰ সিংহাসনত উঠিল; সেই সময়ত অসম ৰাজ্যত হোৱা বিশৃংখলতাৰ সুযোগ লৈ বগীদোৱাৰ এক সৈন্য বাহিনীয়ে অসম অধিকাৰ কৰিলে (১৮২২)। অসম আৰু মণিপুৰক কেন্দ্ৰ হিচাপে লৈ এতিয়া ব্ৰহ্মাৰজাই বঙ্গদেশ আক্ৰমণৰ যো-জা কৰিলে আৰু বৃটিছ সীমান্তৰ চাহীপুৰ নামৰ দ্বীপটোত নিজ আধিপত্য স্থাপন কৰিলে। ব্ৰহ্মদেশৰ এনে আক্ৰমণাত্মক কাৰ্যৰ প্ৰতিৰোধ কৰিবৰ বাবে বৃটিছ চৰকাৰেও কাছাৰ আৰু জয়ন্তীয়া ৰজাৰ লগত চুক্তি কৰি এই দুই ৰাজ্যৰ ওপৰত নিজ প্ৰভুত্ব বিস্তাৰ কৰিলে। ইয়াৰ কিছুদিনৰ পাছতে দুজন ইংৰাজ কৰ্মচাৰীক বাৰ্মীসকলে ধৰি নিয়াৰ পৰিপ্ৰেক্ষিতত লৰ্ড আমহাৰ্ষ্টে ১৮২৪ চনৰ ৫ মাৰ্চত ব্ৰহ্মদেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে।

এই যুদ্ধ জল-স্থল উভয় দিশতে চলিল। বহু বিপত্তিৰ মাজত সুদীৰ্ঘ দুবছৰ যুদ্ধ চলাই বৃটিছ স্থলবাহিনীয়ে অসম, কাছাৰ, মণিপুৰ আৰু আৰাকানৰ পৰা বাৰ্মী সৈন্যবাহিনীক খেদি পঠালে। বৃটিছ নৌবাহিনীয়েও আৰ্চিবল্ড ক্যাম্পবেল (Archibald Campbell)-ৰ সুদক্ষ পৰিচালনাত ৰেঙ্গুন, টেনাচেৰিম আৰু প্ৰ'ম অধিকাৰ কৰি ব্ৰহ্মদেশৰ ৰাজধানী আঙাৰ পৰা ৪৫ মাইল দূৰত উপস্থিত হলগৈ। ইয়াৰ কিছুদিনৰ পাছতেই ব্ৰহ্মৰাজ বগীদোৱাই বৃটিছৰ লগত সন্ধি কৰিবলৈ বাধ্য হ'ল। ১৮২৬ খৃঃৰ ২৪ ফেব্ৰুৱাৰীত স্বাক্ষৰিত এই সন্ধিৰ চৰ্ত অনুসৰি ব্ৰহ্মৰজাই এক কোটি টকা যুদ্ধৰ ক্ষতিপূৰণ দিবলৈ আৰু অসম, কাছাৰ, জয়ন্তীয়া, আৰাকান আৰু টেনাচেৰিমৰ ওপৰত নিজ অধিকাৰ ত্যাগ কৰিবলৈ বাধ্য হ'ল। ব্ৰহ্মৰজাই মণিপুৰক এখন স্বাধীন ৰাজ্য বুলি স্বীকাৰ কৰিলে আৰু নিজ ৰাজধানীত এজন বৃটিছ প্ৰতিনিধি ৰাখিবলৈ সন্মত হ'ল। ইয়াৰ উপৰিও ব্ৰহ্মৰাজে কোম্পানীৰ লগত এক বাণিজ্যিক চুক্তি সম্পাদন কৰিবলৈ সন্মতি প্ৰকাশ কৰিব লগা হ'ল। এনেদৰে প্ৰথম ইং-বাৰ্মী যুদ্ধৰ ফলস্বৰূপে ব্ৰহ্মদেশৰ সমগ্ৰ উপকূল অঞ্চল বৃটিছৰ হাতলৈ আহিছিল আৰু মণিপুৰ, অসম আৰু কাছাৰ কোম্পানীৰ আশ্ৰিত ৰাজ্যত পৰিণত হৈছিল, অৱশ্যে ইয়াৰ বাবে কোম্পানীয়ে প্ৰচুৰ অৰ্থব্যয় আৰু ১৫,০০০ সৈনিকৰ প্ৰাণ আহুতি দিব লগা হৈছিল।

CamScanner